
# সমাজত বিজ্ঞানীসকলৰ গুৰুত্ব আৰু নৱপ্ৰজন্ম

কাব্যশ্ৰী বৰুৱা, সপ্তম শ্ৰেণী, শংকৰদেৱ শিশু বিদ্যা নিকেতন,বৰহাট (চৰাইদেউ)

প্ৰকৃতিৰ ন-ন বৈজ্ঞানিক তথ্য, দৈনিক ৰাতিপুৱাৰ শুই উঠাৰ পৰা ৰাতি শুৱালৈকে ব্যৱহাৰ কৰা সকলো সামগ্ৰী বিজ্ঞানৰ দ্বাৰা মানৱ সমাজত চিনাকী কৰি দিয়া বা আৱিষ্কাৰ কৰা ব্যক্তিসকলেই হৈছে বিজ্ঞানী।

এই ব্যক্তিসকল অৰ্থাৎ বিজ্ঞানীকলৰ মানৱ জাতিৰ মানদণ্ড উন্নত কৰাত যথেষ্ট অৰিহণা আছে,তেওঁলোকৰ অবিহনে মানৱ সভ্যতাৰ বৰ্তমানলৈকে ইমান উন্নতি সাধন ন'হলহেঁতেন।




কিন্তু তেওঁলোকক আমি কিমান গুৰুত্ব প্ৰদান কৰিছো সেয়া বৰ্তমান পৰ্যৱেক্ষণ কৰিলে দেখা যায় যে আমাৰ সমাজে বিশেষকৈ মনোৰঞ্জনৰ খুৰাক যোগোৱা শিল্পীসকলকহে অধিক গুৰুত্ব দিয়ে। উদাহৰণস্বৰূপে বৰ্তমান প্ৰচলিত হৈ থকা ধাৰাবাহিক এখন বা চলচ্চিত্ৰ এখনৰ নায়ক বা খলনায়ক কোন বুলি সুধিলে সকলোৱেই তপৰাই উত্তৰ দিব পাৰিব কিন্তু আমাৰ দৈনন্দিন জীৱনৰ অপৰিহাৰ্য সামগ্ৰী ৰান্ধনীঘৰত ব্যৱহৃত এল.পি.জি বা ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰা কলমটোৰ আৱিষ্কাৰকৰ নাম সুধিলে সৰহসংখ্যকেই উত্তৰ দিব নোৱাৰিব। আমাৰ নৱপ্ৰজন্মক কোনো শিল্পী বা অভিনেতাএগৰাকীৰ চিত্ৰ দেখালে তেওঁলোকে তৎক্ষণাত চিনাক্ত কৰিব পাৰিব কিন্তু বিজ্ঞানী এজনৰ চিত্ৰ দেখুৱালে অধিকসংখ্যকেই তেওঁলোকক চিনি নাপাব। ইয়াৰ কাৰণ মানুহে এই উপভোগ্য আৰামদায়ক সামগ্ৰীবোৰ দৈনিক ব্যৱহাৰ কৰি থাকে কিন্তু এইবোৰৰ আৱিষ্কাৰক কোন সেয়া জানিবলৈ চেষ্টা নকৰে।

বৰ্তমান ইনষ্টাগ্ৰাম, ম'জ' আদি বিভিন্ন ছ'চিয়েল মিডিয়াত নিজৰ কৰ্তব্য পাহৰি দিনে-ৰাতিয়ে ব্যস্ত থাকি এইবোৰৰ অপব্যৱহাৰ কৰি আছে আৰু এইসকলৰ মূল লক্ষ্য হ'ল ছ'চিয়েল মিডিয়াত জনপ্ৰিয়তা অৰ্জন কৰা।অথচ তেওঁলোকক এই ম'বাইল ফোনৰ

আৱিষ্কাৰকৰ বিষয়ে সুধিলে উত্তৰ দিব নোৱাৰিব ।এইবোৰ অতি লজ্জাজনক কথা।

এতিয়া কথা হ'ল নৱপ্রজন্মই যিহেতু দেশৰ ভৱিষ্যৎ,গতিকে তেওঁলোকে নিজৰ কর্তব্য পাহৰি এইবোৰ কামত লিপ্ত হৈ থাকিলে আমাৰ দেশৰ ভৱিষ্যৎ অন্ধকাৰ হৈ পৰিব। যদি তেওঁলোকে এই মিডিয়াবোৰৰ উপযুক্ত ব্যৱহাৰ কৰিবলৈ শিকে তেন্তে আমাৰ দেশৰ বহু উন্নতি সাধন হব।

প্ৰৱন্ধটোত এয়া বুজাবলৈ চেষ্টা কৰা হোৱা নাই যে আমি কেৱল বিজ্ঞানীসকলকহে গুৰুত্ব দিয়া উচিত। বৈজ্ঞানিক,শিল্পী,খেলুৱৈ বা যিসকলে সমাজৰ বাবে উৎপাদনমুখী কাম কৰি আছে সেই সকলোকে আমি সমান গুৰুত্ব প্রদান কৰিব লাগে। কোনো একশ্ৰেণীৰ লোকক অধিক গুৰুত্ব প্রদান কৰিলে আমাৰ নবপ্ৰজন্মত বিৰোপ প্ৰভাৱ পৰিব।

**********